**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 30-12-2024
**Time :** 1205 Hrs

***Assamese Midday Bulletin***

অসম প্ৰকাশন পৰিষদ আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ উদ্যোগত গুৱাহাটীৰ খানাপাৰাৰ পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেল পথাৰত চলি থকা অসম গ্ৰন্থমেলাৰ আজি চতুৰ্থ দিনা কেইবাটাও মনোজ্ঞ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। এই অনুসৰি আজি দিনৰ ২ বজাত চলচ্চিত্ৰৰ প্ৰচাৰ আৰু ব্যৱসায় সন্দৰ্ভত এখন আলোচনাসত্ৰৰ আয়োজন কৰা হৈছে। অনুষ্ঠানত বিশিষ্ট চলচ্চিত্ৰ সমালোচক নয়ন প্ৰসাদ, অভিনেতা তথা পৰিচালক কেনি বসুমতাৰী, শ্যাম বৰা, অচিন্ত্য শংকৰ, অভিনেতা কমললোচন, প্ৰিয়ংকা বৰুৱা আদি আলোচক হিচাপে উপস্থিত থাকিব। অপৰাজিতা পূজাৰীয়ে পৰিচালনা কৰিবলগীয়া এই আলোচনাত বিশিষ্ট অতিথি হিচাপে মুম্বাইৰ চলচ্চিত্ৰ প্ৰযোজক, পৰিচালক, লেখক মনোজ শ্ৰীবাস্তৱ উপস্থিত থাকিব। সন্ধিয়া ৫ বজাত সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হৈছে। উল্লেখযোগ্য যে গ্ৰন্থমেলাৰ বাকৰিতে আজি কেইবাখনো গ্ৰন্থও উন্মোচন কৰা হ'ব।

০০০০০০

কটন বিশ্ববিদ্যালয়ৰ এলামনাই ভৱনত কালি নাৰী সাৰস্বত মঞ্চৰ উদ্যোগত ক্ষীৰোদা চৌধুৰী সোঁৱৰণী ষষ্ঠ বাৰ্ষিক সদৌ অসম ছাত্ৰীৰ কুইজ প্ৰতিযোগিতা অনুষ্ঠিত হয়। কুইজ প্ৰতিযোগিতাখন অসমৰ প্ৰথম মহিলা আৰক্ষী মহাপৰিদৰ্শক ভায়'লেট বৰুৱাই উদ্বোধন কৰে। অসমৰ বিভিন্ন বিদ্যালয়, মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ৰ ২৬টা ছাত্ৰীৰ দলে এই প্ৰতিযোগিতাত অংশগ্ৰহণ কৰে। প্ৰতিযোগিতাখন কুইজ মাষ্টাৰ শৈলেন বৈশ্যই পৰিচালনা কৰে। প্ৰতিযোগিতাত চন্দনা তালুকদাৰ আৰু পলাশী বৰাৰ দলে প্ৰথম স্থান, ৰুশ্মিতা কলিতা আৰু দীশা বৈশ্যৰ দলে দ্বিতীয় স্থান, অনুৰাধা ৰাণা দাস আৰু পল্লৱী গগৈৰ দলে তৃতীয় স্থান, কৰবী শৰ্মা আৰু নিকিতা ৰহমানৰ দলে চতুৰ্থ স্থান, জ্যোতিদ্বীপা পৰাশৰ আৰু প্ৰণীতা দাসৰ দলে পঞ্চম স্থান, মৃদুস্মিতা ভট্টাচাৰ্য আৰু অন্বেষা বুজৰবৰুৱাৰ দলে ষষ্ঠ স্থান অধিকাৰ কৰিছে। বিজয়ী প্ৰতিযোগীসকলক নগদ ধন, ট্ৰফী আৰু মানপত্ৰ প্ৰদান কৰা হয়।

০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে ইংৰাজী ২০২৪ বৰ্ষৰ সমাপ্তি উপলক্ষে কেইটামান বিশেষ অনুষ্ঠান প্ৰচাৰৰ দিহা কৰিছে। কাইলৈ নিশা ৮ বাজি ২ মিনিটত দেশ-বিদেশৰ ৰাজনীতি-সমাজনীতি, ক্ৰীড়া, সংস্কৃতি, সাহিত্য জগতৰ উল্লেখযোগ্য ঘটনাৱলীৰ বছৰজোৰা আলোকপাতৰ এটা বিশেষ অনুষ্ঠান **উভতি চাওঁ** প্ৰচাৰ কৰা হ'ব। এই অনুষ্ঠানত আকাশবাণী গুৱাহাটীৰ ষ্টুডিঅ'ত সাংবাদিকৰ লগতে আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগৰ সদস্যসকল উপস্থিত থাকি বছৰটোৰ উল্লেখযোগ্য ঘটনাৱলীৰ পৰ্যালোচনা আগবঢ়াব।

০০০০০০

বছৰৰ শেষৰছোৱা সময়ত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত দেশী-বিদেশী পৰ্যটকৰ ভিৰ পৰিলক্ষিত হৈছে। কালি বছৰৰ অন্তিমটো দেওবাৰে কাজিৰঙালৈ অত্যধিক পৰ্যটকৰ আগমন ঘটাত উদ্যান দৰ্শন কৰিবলৈ জীপ আৰু হাতীৰ অভাৱ পৰিলক্ষিত হয়। এনে পৰিস্থিতিৰ সুযোগ গ্ৰহণ কৰি একাংশ জীপ চালকে পৰ্যটকৰ পৰা অত্যধিক ধন আদায় কৰাৰ অভিযোগ উত্থাপন হৈছে। উদ্যানখনলৈ অত্যধিক পৰ্যটকৰ আগমন ঘটাৰ বাবে জখলাবন্ধাৰ পৰা বোকাখাটলৈ সকলো পৰ্যটন নিবাসৰ কোঠা আগতীয়াকৈ সংৰক্ষণ কৰা হৈছে। ইয়াৰ ফলত বহু দেশী-বিদেশী পৰ্যটক নিশা যাপনৰ বাবে অসুবিধাৰ সন্মুখীন হ'বলগীয়া হৈছে।

০০০০০০

শোণিতপুৰ জিলাৰ তেজপুৰত কালি এজন যুৱক অসাৱধানবশতঃ পিছলি পানীত পৰি ডুব যোৱাৰ সময়ত অসামৰিক প্ৰতিৰক্ষা বাহিনীৰ দুগৰাকী লোকে তাৎক্ষণিকভাৱে যুৱকজনক উদ্ধাৰ কৰিবলৈ সমৰ্থ হয়। ছোহেইল আহমেদ আৰু অভিজিৎ শৰ্মা নামৰ লোক দুজনে উদ্ধাৰ কৰা এই যুৱকজন কলিয়াবৰৰ বাসিন্দা বুলি জানিব পৰা গৈছে। যুৱকজনে বনভোজৰ বাবে তেজপুৰৰ ৰুদ্ৰপদলৈ যোৱাৰ সময়তে দুৰ্ঘটনাটো সংঘটিত হয় বুলি আমাৰ শোণিতপুৰৰ সংবাদদাতাই জনাইছে।

০০০০০০

অসম ভলীবল সন্থাৰ উদ্যোগত আৰু গোৱালপাৰা জিলা ক্ৰীড়া সন্থাৰ সহযোগত গোৱালপাৰা মহাবিদ্যালয় খেল পথাৰত তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত ৫৮ সংখ্যক আন্তঃজিলা জুনিয়ৰ ল'ৰা আৰু ছোৱালীৰ ভলীবল প্ৰতিযোগিতাৰ যোৱানিশা সামৰণি পৰে। প্ৰতিযোগিতাত ল'ৰাৰ শাখাত গহপুৰ জিলা দল আৰু ছোৱালীৰ শাখাত বজালী জিলা দল চূড়ান্ত বিজয়ী হয়। যোৱানিশা অনুষ্ঠিত চূড়ান্ত খেলত ল'ৰাৰ গহপুৰ জিলা দলে গুৱাহাটী জিলা দলক ৩-০ আৰু ছোৱালীৰ বজালী জিলা দলে মৰাণ জিলা দলক ৩-০ ফলাফলত পৰাজিত কৰি চেম্পিয়নৰ খিতাপ দখল কৰে। গোৱালপাৰা জিলাৰ আৰক্ষী অধীক্ষক নৱনীত মহন্তই চূড়ান্ত খেল দুখন উদ্বোধন কৰে। চূড়ান্ত খেলৰ অন্তত অনুষ্ঠিত বঁটা বিতৰণী সভাত অসম ভলীবল সন্থাৰ সাধাৰণ সম্পাদক, জিলা ক্ৰীড়া সন্থাৰ সভাপতি, সম্পাদক আৰু গোৱালপাৰা পৌৰ সভাৰ সভাপতিৰ লগতে বহুসংখ্যক লোক উপস্থিত থাকে। এই প্ৰতিযোগিতাত ল'ৰাৰ ৩২ টা আৰু ছোৱালীৰ ২০ টা দলে অংশগ্ৰহণ কৰিছিল।

০০০০০০

গোলাঘাট জিলাৰ বোকাখাতত কালি নিশা সদৌ অসম ফিজিক্স ক্ৰীড়া সন্থাৰ উদ্যোগত মিষ্টাৰ এণ্ড মিছেছ্ বডী বিল্ডিং প্ৰতিযোগিতা অনুষ্ঠিত হয়। প্ৰাক্তন মিষ্টাৰ ইউনিভাৰ্ছ কুশল চাংমাইৰ নেতৃত্বত আৰু বোকাখাতৰ আয়োজক সমিতিৰ উদ্যোগত অনুষ্ঠিত প্ৰতিযোগিতাখন কৃষি মন্ত্ৰী অতুল বৰাই মুকলি কৰে। এই বডী বিল্ডিং প্ৰতিযোগিতাখনত পুৰুষ-মহিলা আৰু জুনিয়ৰ শাখাত ১৫০ৰো অধিক বডী বিল্ডাৰে অংশগ্ৰহণ কৰে। প্ৰতিযোগিতাত নৰজিৎ কুমাৰ দাসে চেম্পিয়নৰ খিতাপ অৰ্জন কৰে। মিষ্টাৰ আছাম ক্লাছিক বডী বিল্ডাৰ শিতানত অভিলাখ শেনছোৱাই শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰে। দিলীপ কুমাৰ দেউৰী, মিষ্টাৰ আছাম মাষ্টাৰৰ সন্মাম অৰ্জন কৰে। এই বডী বিল্ডিং প্ৰতিযোগিতাখনৰ উদ্বোধনী অনুষ্ঠানত কাজিৰঙা লোকসভা সমষ্টিৰ সাংসদ কামাখ্যা প্ৰসাদ তাছা উপস্থিত আছিল।

০০০০০০

সমাপ্ত